# অসম বিধান সভা

## ২০২৬ চনৰ ২২ জুলাইত উত্তৰ দিবলগীয়া

## মৌখিক প্ৰশ্ন নং – ১৬৩

**বিষয়ঃ মৰা ভৰলু নদীৰ পৰিস্কাৰকৰণ ।**

**শ্ৰী বিজয় কুমাৰ গুপ্তা, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) গুৱাহাটী চেন্ট্ৰেল সমষ্টিৰ মাজেৰে বৈ যোৱা মৰা ভৰলু নদীখন খনন কৰি পলিমাটি আৱৰ্জনা নিষ্কাষণ কৰাৰ বাবে অবিৰাম গতিৰে অগ্ৰাধিকাৰ ভিত্তিত কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'বনে ?

(খ) যদি লয়, কেতিয়া ল'ব ?

(গ) যদি ইতিমধ্যে লৈছে উক্ত কামবোৰ কোন কোন ঠিকাদাৰক আৱণ্টন দিয়া হৈছে ? (সবিশেষ তথ্য দিব)

(ঘ) লগতে এই মৰা ভৰলু নৈৰ দুইপাৰে ৰাস্তাৰ সংযোগী পকা দলং কমেও তিনিখন অতি আৱশ্যক (লাল-গনেশ, গোবিন্দ নগৰ, মৰা ভৰলুপাৰ আৰু ধীৰেনপাৰা) । এই দলং কেইখন নিৰ্মাণ কৰিবৰ বাবে ব্যৱস্থা হাতত ল'বনে ?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**–উত্তৰ–**

(ক) গুৱাহাটী চেন্ট্ৰেল সমষ্টিৰ মাজেৰে বৈ যোৱা মৰা ভৰলু নদীখন খনন কৰি পলিমাটি আৱৰ্জনা নিষ্কাষণ কৰাৰ কাম সমূহ তদানীন্তন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশ অনুসৰি ২০১৫ বৰ্ষৰ পৰা GMC/GMDA বিভাগক হস্তান্তৰ কৰা হয়। সেয়েহে উক্ত কামৰ বাবে জলসম্পদ বিভাগে কোনো পৰিকল্পনা হাতত লোৱা নাই।

এই সন্দৰ্ভত পত্ৰ নং WR(C)247867/391 dtd.09.07.2026 ৰ জৰিয়তে GMDA বিভাগৰ পৰা আৰু পত্ৰ নং WR(C)247867/399 dtd.18.07.2026 জৰিয়তে DOHUA বিভাগৰ পৰা তথ্য বিচৰা হৈছে । পত্ৰদুখন যথাক্ৰমে **"পৰিশিষ্ট-ক" আৰু "পৰিশিষ্ট-খ"** ত সংলগ্ন কৰা হ'ল । এই সন্দৰ্ভত DOHUA বিভাগৰ পৰা পত্ৰ নং eCF No.818608/6 dtd.20/07/2026 যোগে পোৱা উত্তৰ **"পৰিশিষ্ট-গ"**ত সংলগ্ন কৰা হ'ল।

*Contd..p/2*

(খ) উত্তৰ (ক)ৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্নৰ উত্তৰ জলসম্পদ বিভাগৰ আওতাত নপৰে।

(গ) উত্তৰ (ক) আৰু (খ)ৰ পৰিপ্ৰেক্ষিতত এই **প্ৰশ্নৰ** উত্তৰ জলসম্পদ বিভাগৰ আওতাত নপৰে ।

(ঘ) এই বিষয়টো জলসম্পদ বিভাগৰ আওতাত নপৰে ।

এই সন্দৰ্ভত পত্ৰ নং WR(C)247867/398 dtd.15.07.2026 ৰ জৰিয়তে লোক নিৰ্মান (পথ) বিভাগৰ পৰা তথ্য বিচৰা হৈছিল। উক্ত বিভাগৰ পত্ৰ নং CRD6/2026/43 dtd.16.07.2026 ৰ জৰিয়তে পোৱা তথ্য "**পৰিশিষ্ট-ঘ**" ত সংলগ্ন কৰা হৈছে।

**(উত্তৰসমূহ "পৰিশিষ্ট-ক", "পৰিশিষ্ট-খ" "পৰিশিষ্ট-গ" আৰু "পৰিশিষ্ট-ঘ"ৰ সৈতে অনলাইন যোগে NeVA পৰ্টেলত দাখিল কৰা হৈছে)**

***************

# পৰিশিষ্ট-ক

পৰিশিষ্ট 'ক'



**Assembly Urgent**

**GOVERNMENT OF ASSAM**
**WATER RESOURCES DEPARTMENT :::: CONSTRUCTION BRANCH**
**DISPUR, GUWAHATI-06**

**No. WR(C)247867/391**

From : Deputy Secretary (II) to the Govt. of Assam,
Water Resources Department,
Dispur, Guwahati-06

To : The Chief Executive Officer, GMDA
3rd Floor, STATFED Building
G.M.C.H. Road, Bhangagarh, Ghy-781005

Sub : **Regarding 01 (One) no. of Starred Assembly Questions to be asked by Hon'ble MLA during Budget Session of the Sixteenth Assam Legislative Assembly, 2026.**

Sir,

With reference to the subject cited above, I am directed to forward herewith 01 (One) no. of Provisional **Starred Assembly Question Dy. No. 21** to be asked during **Budget Session of the Sixteenth Assam Legislative Assembly,2026.**

You, are therefore, requested to furnish the **materials/replies along with Supplementary Note to this department on or before 16th July, 2026 positively.**

This may be treated as ASSEMBLY URGENT.

Enclo: As stated above.

Yours faithfully

Digitally signed by
GANESH CHANDRA SARMA
Date: 09-07-2026
16:59:30

Deputy Secretary (II) to the Govt. of Assam,
Water Resources Department,
Dispur, Guwahati-06.

# পৰিশিষ্ট-খ

পৰিশিষ্ট 'খ'

**GOVERNMENT OF ASSAM**
**WATER RESOURCES DEPARTMENT :: CONSTRUCTION BRANCH**
**DISPUR ::: GUWAHATI-06**

---

**No. - WR(C) 247867/399**

From : Deputy Secretary (I) to the Govt. of Assam
Water Resources Department
Dispur, Guwahati-06

To : The Secretary to the Govt of Assam
Department of Housing and Urban Affair,
Dispur, Guwahati-06

Sub : Regarding **Starred Assembly Question** to be asked by Hon'ble MLA during Budget Session of the Sixteenth Assam Legislative Assembly,2026.

Sir,

With reference to the subject cited above, I am directed to forward herewith 01 (One) no. of Provisional Starred Assembly Question Dy. No. 21 to be asked by Hon'ble MLA Shri Bijay Kumar Gupta during the upcoming Assembly Question on 22.07.2026.

Since the query raised in the Assembly Question requires inputs from your respective Department/Office, you are requested to furnish the materials/replies along with Supplementary Note to this department **on or before 20th July, 2026 positively**.

This may be treated as **ASSEMBLY URGENT.**

**Enlco: As stated.**

Yours faithfully,

Digitally signed by
Deepak Bhattacharyya
Date: 18-07-2026
17:45:35

Deputy Secretary (I) to the Govt. of Assam
Water Resources Department
Dispur, Guwahati-06

**পৰিশিষ্ট-গ**

**Assembly Matter**
**URGENT**

GOVT.OF ASSAM
**DEPARTMENT OF HOUSING & URBAN AFFAIRS**
D-Block, 2nd Floor, JANATA BHAWAN
DISPUR, GUWAHATI-781006
**E-mail : gddassam.sectt@gmail.com**

eCF No. 818608/6 Dated Dispur, the 20th July, 2026

**From :** **Secretary to the Govt. of Assam,**
Department of Housing & Urban Affairs

**To :** **The Deputy Secretary to the Govt. of Assam**
Water Resources Department
Dispur, Guwahati-781006

**Sub :** **Reply to the Starred Assembly Qsn. Diary No. 21 to be asked by Shri Bijay Kumar Gupta, Hon'ble MLA.**

**Ref. :** **No.WR (C) 247867/399 dated 18.07.2026**

**Sir,**

With reference to the subject & letter cited above, I am directed to submit herewith the reply to the Starred Assembly Qsn. Diary No. 21 to be asked by Shri Bijay Kumar Gupta, Hon'ble MLA pertaining to the Department of Housing & Urban Affairs (DoHUA) along with supplementary note submitted by Guwahati Municipal Corporation.

This is for favour of your information and further necessary action.

Yours faithfully,

Enclo:- As stated above.

Digitally signed by
ALAHZER ALI
Date: 20-07-2026
16:20:24

Secretary to the Govt. of Assam
Department of Housing & urban Affairs

*****

মাননীয় বিধায়ক শ্ৰী বিজয় কুমাৰ গুপ্তা মহোদয়ে সুধিবলগীয়া প্ৰশ্নৰ (Dy. No. 21) উত্তৰ সমুহ তলত দিয়া হ'ল ।

| ক্ৰমিক নং | প্ৰশ্ন | উত্তৰ |
|---|---|---|
| (ক) | গুৱাহাটী চেন্ট্ৰেল সমষ্টিৰ মাজেৰে বৈ যোৱা মৰা ভৰলু নদীখন খনন কৰি পলিমাটি আৱৰ্জনা নিষ্কাষণ কৰাৰ বাবে অবিৰাম গতিৰে অগ্ৰাধিকাৰ ভিত্তিত কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'বনে? | মৰা ভৰলু নদীৰ পলি মাটি (Silt) অপসাৰণ, পৰিস্কাৰকৰণ আৰু De-siltation ৰ কাম গুৱাহাটী পৌৰ নিগমে "Mission Flood Free Guwahati" কাৰ্য্যসূচীৰ অধীনত ইতিমধ্যে গ্ৰহণ কৰিছে । |
| (খ) | যদি লয়, কেতিয়া ল'ব? | উক্ত কাম গুৱাহাটী পৌৰ নিগমে ইতিমধ্যে গ্ৰহণ কৰিছে । |
| (গ) | যদি ইতিমধ্যে লৈছে উক্ত কামবোৰ কোন কোন ঠিকাদাৰক আৱণ্টন দিয়া হৈছে? (সবিশেষ তথ্য দিব) | উক্ত কাম যাৱতীয় প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি M/s P.S. Enterpriseক কৰিব দিয়া হৈছে ।<br>Work Order No. GER/DIV-VI/632/2026/25 dated 19.02.2026<br>Tender ID : 2026_GMC_49862_1<br>Tender Reference No. GER/CE/2525/2025/07 dated 30.12.2025 |
| (ঘ) | লগতে এই মৰা ভৰলু নৈৰ দুইপাৰে ৰাস্তাৰ সংযোগী পকা দলং কমেও তিনিখন অতি আৱশ্যক (লাল-গনেশ, গোবিন্দ নগৰ, মৰাভৰলুপাৰ আৰু ধীৰেনপাৰা)। এই দলং কেইখন নিৰ্মাণ কৰিবৰ বাৰু ব্যৱস্থা হাতত ল'বনে? | উল্লেখিত দলং আদি নিৰ্মাণৰ কাম গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে হাতত লোৱা নাই । |

*****

## পৰিপূৰক টোকা

মৰা ভৰলু নদীৰ পৰিষ্কাৰকৰণ, পলিমাটি অপসাৰণ (ডিচিল্টিং) আৰু ৰক্ষণাবেক্ষণৰ কাম গুৱাহাটী পৌৰ নিগমে (GMC) প্ৰতিবছৰে বান প্ৰতিৰোধ কাৰ্যসূচীৰ অংশ হিচাপে নিয়মীয়াকৈ সম্পাদন কৰি আহিছে। ইয়াৰ মূল উদ্দেশ্য হৈছে নদীখনৰ পানী বহন ক্ষমতা বৃদ্ধি কৰা, বৰষুণৰ পানীৰ স্বাভাৱিক প্ৰবাহ নিশ্চিত কৰা আৰু বাৰিষা ঋতুত নগৰখনত জলাবদ্ধতাৰ সমস্যা হ্ৰাস কৰা।

২০২৫ চনত মৰা ভৰলু নদীৰ পৰিষ্কাৰকৰণ, পলিমাটি অপসাৰণ আৰু ৰক্ষণাবেক্ষণৰ কাম ISBTৰ পৰা ফটাশিললৈ, বৰছাপৰা ষ্টেডিয়াম হৈ, মুঠ প্ৰায় ৬.৩৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ অংশত সম্পাদন কৰা হৈছিল। এই কাম **M/s Bharati Associates and Ashok Kr. Raymedhi (JV)**-এ সম্পাদন কৰিছিল। কাম আৰম্ভ হোৱাৰ তাৰিখ আছিল **১৩.০২.২০২৫** আৰু কাম সম্পূৰ্ণ হোৱাৰ তাৰিখ আছিল **১৫.১২.২০২৫**। কাম সম্পাদনৰ সময়ত নদীখনৰ পৰা প্ৰায় **৩৬,৯৪৪.৫৬ ঘন মিটাৰ** পলিমাটি অপসাৰণ কৰা হৈছিল, যাৰ ফলত নদীখনৰ পানী বহন ক্ষমতা বৃদ্ধি পোৱাৰ লগতে বৰষুণৰ পানীৰ স্বাভাৱিক প্ৰবাহ উন্নত হয়।

২০২৬ চনত **Mission Flood Free Guwahati** কাৰ্যসূচীৰ অধীনত গুৱাহাটী পৌৰ নিগমে পুনৰ একে অংশত, অৰ্থাৎ ISBTৰ পৰা ফটাশিললৈ, বৰছাপৰা ষ্টেডিয়াম হৈ, প্ৰায় ৬.৩৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ মৰা ভৰলু নদীৰ পৰিষ্কাৰকৰণ, পলিমাটি অপসাৰণ আৰু ৰক্ষণাবেক্ষণৰ কাম গ্ৰহণ কৰিছে। এই কামৰ বাবে **১৯.০২.২০২৬** তাৰিখে **M/s P. S. Enterprise**-ক কাৰ্যাদেশ জাৰি কৰা হয় আৰু কাম আৰম্ভ হোৱাৰ তাৰিখ হৈছে **২০.০২.২০২৬**।

অনুমোদিত প্ৰাক্কলন অনুসৰি, প্ৰথম পৰ্যায়ত (কাম আৰম্ভ হোৱাৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত) প্ৰায় **২৭,২৯৬.০০ ঘন মিটাৰ**পলিমাটি অপসাৰণ কৰাৰ প্ৰস্তাৱ আছে। তাৰ পিছত, বাৰ্ষিক ৰক্ষণাবেক্ষণ কাৰ্যসূচীৰ অধীনত (প্ৰথম পৰ্যায় সম্পূৰ্ণ হোৱাৰ ২৪০ দিনৰ ভিতৰত) অতিৰিক্ত **১৩,৬৪৮.৩৬ ঘন মিটাৰ** পলিমাটি অপসাৰণ কৰাৰ প্ৰস্তাৱ আছে, যাতে নদীখনৰ পানী বহন ক্ষমতা অক্ষুণ্ণ থাকে আৰু সমগ্ৰ বাৰিষা ঋতুত বৰষুণৰ পানীৰ নিৰৱচ্ছিন্ন প্ৰবাহ নিশ্চিত হয়।

এই কাম চৰকাৰৰ **Mission Flood Free Guwahati** আঁচনিৰ অংশ হিচাপে ৰূপায়ণ কৰা হৈছে। ইয়াৰ মূল উদ্দেশ্য হৈছে মৰা ভৰলু নদীৰ জলবাহী (Hydraulic) ক্ষমতা পুনৰুদ্ধাৰ আৰু সংৰক্ষণ কৰা, নগৰীয়া বানপানী আৰু জলাবদ্ধতাৰ আশংকা হ্ৰাস কৰা, লগতে অতিবৃষ্টিৰ সময়ত দক্ষ নিকাশী ব্যৱস্থা নিশ্চিত কৰা। কামসমূহ সময়মতে আৰু ফলপ্ৰসূভাৱে সম্পাদন হোৱাটো নিশ্চিত কৰিবলৈ গুৱাহাটী পৌৰ নিগমে নিয়মীয়াকৈ নিৰীক্ষণ আৰু পৰ্যায়ক্ৰমিক ৰক্ষণাবেক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰি আছে।

অতিৰিক্ত আয়ুক্ত,
গুৱাহাটী পৌৰ নিগম,
গুৱাহাটী।

পৰিশিষ্ট- ঘ

পাৰাৰ্গষ্ট [illegible]

ASSEMBLY URGENT

GOVERNMENT OF ASSAM

লোক নিৰ্মাণ বিভাগ (পথ)

PUBLIC WORKS ROADS DEPARTMENT::COMMUNICATION BRANCH

DISPUR: GUWAHATI-6

pwrdcommunication@gmail.com

No. CRD6/2026/43 Dated Dispur 16th July 2026.

From : The Under Secretary (Communication Branch) to the Govt. of Assam- cum Nodal Officer, Assembly Matters, PWRD, Dispur, Guwahati-06

To : The Deputy Secretary (II) to the Govt. of Assam, Water Resource Department, Dispur, Guwahati-06

Sub : Reply of Starred AQ Dy no 21 –reg

Ref: Your letter WR(C)247867/398 dated 15th July 2026.

Sir,

I am directed to forward herewith a copy of the reply of the Provisional Starred Assembly Question Dy no 21 (Gha) to be asked by Hon'ble MLA Shri Vijay Kumar Gupta in the ongoing Budget Session of Assam Legislative Assembly, 2026

This is for favour of your kind disposal.

Enclo.: As stated above.

Yours faithfully,

16/7/26

Under Secretary (Communication Branch)to the Govt. of Assam,
Public Works Roads Department
Dispur, Guwahati-06

Memo no CRD6/2026/43-A Dated Dispur 16th July 2026.

Copy to:

1. P.S. to the Commissioner and Special Secretary, PWRD, Dispur, Assam-06 for favour of kind appraisal of Commissioner and Special Secretary, PWRD.

By Orders etc.

Under Secretary (Communication Branch)to the Govt. of Assam,
Public Works Roads Department
Dispur, Guwahati-06

Priority Question for the Assam Legislative Assembly

PROVISIONAL STARRED

D. No.২১

Department to which the day has been allotted: জলসম্পদ(Question (ঘ)indrectলোক নির্মাণ (পথ))

The question will be put down for the sitting on the: -২২/০৭/২০২৬

150 Cyclostyled copies of the reply should reach Assembly Secretariat Latest by 3 P.M. on.২০/০৭/২০২৬

বিষয়: মৰা ভৰলু নদীৰ পৰিষ্কাৰকৰণ।

Asked by Hon'ble MLA:শ্ৰী বিজয় কুমাৰ গুপ্তা।

মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে:

**Questions:-**

(ক) গুৱাহাটী চেন্ট্ৰেল সমষ্টিৰ মাজেৰে বৈ যোৱা মৰাভৰলু নদীখন খনন কৰি পলি মাটি আৱৰ্জনা নিষ্কাষণ কৰাৰ বাবে অবিৰাম গতিৰে অগ্ৰাধিকাৰ ভিত্তিত কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'বনে?

(খ) যদি লয়, কেতিয়া ল'ব?

(গ) যদি ইতিমধ্যে লৈছে উক্ত কামবোৰ কোন কোন ঠিকাদাৰক আৱণ্টন দিয়া হৈছে ? (সবিশেষ তথ্য দিব)

(ঘ ) লগতে এই মৰাভৰলু নৈৰ দুই পাৰে ৰাস্তাৰ সংযোগী পকা দলং কমেও তিনিখন অতি আৱশ্যক (লাল-গনেশ, গোবিন্দ নগৰ, মৰাভৰলু পাৰ আৰু ধীৰেনপাৰা ) । এই দলং কেইখন নিৰ্মাণ কৰিবৰ বাৰু ব্যৱস্থা হাতত ল'বনে?

**Answers:-**

(ঘ) মাননীয় বিধায়কে প্ৰশ্নত উল্লেখ কৰা মতে লাল-গণেশ অঞ্চলৰ শ্ৰীনগৰ পথ আৰু গোবিন্দ নগৰ পথ সংলগ্ন মৰা ভৰলু নৈৰ ওপৰত বৰ্তমানলৈকে কোনো দলং নিৰ্মাণৰ আঁচনি বিভাগৰ হাতত নাই। উল্লেখ্য যে, বিগত বৰ্ষৰ মাৰ্চ মাহত ইয়াৰ নিকটৱৰ্তী ৰাধা গোবিন্দ বৰুৱা সৰণি পথত এখন পকী দলং নিৰ্মাণ কৰা হৈছে, যি গোবিন্দ নগৰ পথৰ পৰা ১৬৫ মিটাৰ আৰু শ্ৰীনগৰ পথৰ পৰা ৪০০ মিটাৰ দূৰত্বত অৱস্থিত।

আনহাতে, বিষ্ণুৰাভা পথ আৰু ৰঘুনাথ পথ সংলগ্ন মৰাভৰলু নৈৰ ওপৰত বৰ্তমানলৈকে কোনো দলং নিৰ্মাণৰও আঁচনি বিভাগৰ হাতত নাই। প্ৰশ্নত উল্লেখিত দলংসমূহৰ নিৰ্মাণৰ বিষয়টো কাৰিকৰী সম্ভাৱনীয়তা (Feasibility), ভূমিৰ উপলব্ধতা, বিভাগীয় অগ্ৰাধিকাৰ আৰু প্ৰয়োজনীয় পুঁজিৰ আৱণ্টন সহ অন্যান্য প্ৰাসংগিক বিষয়ৰ উপৰত নিৰ্ভৰ কৰিব ।

(signature) ২১/৭/২০২৬

Commissioner & Special Secretary
Public Works (Roads) Department
Dispur, Guwahati-06